# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-04-2026 **Time :** 1100 Hrs.

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাত মুঠ তিনি লাখ ৩০ হাজাৰ ৭৯৮ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে মুঠ দুই লাখ ৬৩ হাজাৰ ১৫৫ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৫-৪ শতাংশ।

কলা শাখাত উত্তীৰ্ণৰ হাৰ ৭৯ দশমিক ৫-৪ শতাংশ। মুঠ ২ লাখ ৪৭ হাজাৰ ৮৯০ গৰাকী পৰীক্ষাৰ্থী কলা শাখাত অৱতীৰ্ণ হৈছিল। বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮২৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৫ হাজাৰ ৭৯৬ গৰাকী উত্তীৰ্ণ হয়। এই শাখাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ১-৩ শতাংশ। বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ ৮৯ দশমিক ৭-৯ শতাংশ। মুঠ ৬১ হাজাৰ ৫৮০ গৰাকী পৰীক্ষাৰ্থী বিজ্ঞান শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল। বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এহেজাৰ ৮৭ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৭৪ দশমিক ১-৯ শতাংশ।

কলা শাখাত বাক্সা জিলাই উত্তীৰ্ণৰ হাৰ ৯৪ দশমিক ২-৯ শতাংশৰে প্ৰথম স্থান অধিকাৰ কৰিছে। দৰং জিলাই ৯২ দশমিক ৯-৯ শতাংশৰে দ্বিতীয় স্থান আৰু ৯০ দশমিক ৩-৫ শতাংশৰে লখিমপৰ জিলাই তৃতীয় স্থান লাভ কৰিছে। বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ ১০০ শতাংশৰে মাজুলী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাই প্ৰথম স্থান লাভ কৰিছে। দ্বিতীয় আৰু তৃতীয় স্থানত ক্ৰমে তামুলপুৰ আৰু বজালী জিলা আছে। বিজ্ঞান শাখাত তামুলপুৰ জিলা প্ৰথম, পশ্চিম কাৰ্বি আংলং দ্বিতীয় আৰু বাক্সা জিলা তৃতীয় স্থানত আছে। বৃত্তিমুখী শাখাত ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে বিশ্বনাথ, মাজুলী আৰু শিৱসাগৰ জিলাই প্ৰথম স্থান, দৰং দ্বিতীয় আৰু বৰপেটা জিলা তৃতীয় স্থানত আছে।

পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবচাইটৰ জৰিয়তে নিজৰ ফালফল আৰু নম্বৰ তালিকা লাভ কৰিব পাৰিব। পৰীক্ষাৰ্থীসকলে ahsec.assam.gov.in বা resultsassam.nic.in, ndtv.com, indiaresults.com, vidyavision.com, jagranjosh.com, results.shiksha কে ধৰি মুঠ ১২ টা ৱেবচাইট যোগেদি ফলাফল লাভ কৰিব পাৰিব। তদুপৰি উপলব্ধ ম'বাইল এপৰ জৰিয়তে শিক্ষাৰ্থীসকলে ফলাফল লাভ কৰিব পাৰিব। উত্তীৰ্ণ শিক্ষাৰ্থীসকলে এই ম'বাইল এপ আৰু ৱেবছাইটৰ জৰিয়তে মাৰ্কশ্বিট ডাউনলোড কৰিব পাৰিব। যিসকল শিক্ষাৰ্থীয়ে বহী পুনৰীক্ষণ কৰিব বিচাৰে তেওঁলোকে পৰিষদৰ ৱেবছাইটৰ জৰিয়তে ফলাফলৰ দুদিন পাছত আবেদন কৰিব পাৰিব।

ooooooo

অহা ৪ মে'ত ৰাজ্যৰ ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ইয়াৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় প্ৰস্তুতি চলাই আছে। ভোটগণনা প্ৰক্ৰিয়াত নিয়োজিত হ'বলগীয়া বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে।

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি যোৰহাট নিৰ্বাচনী জিলাত ভোটগণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰংৰুমসমূহ পৰিদৰ্শন কৰে।

আনহাতে, যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত কালি জিলাখনৰ আৱৰ্ত ভৱনৰ সভাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ইপিনে, গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনাত জড়িত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ জিলা প্ৰশাসনে কালি আৰম্ভ কৰে।

০০০০০০০

চলিত বৰ্ষৰ পদ্ম বঁটাৰ বাবে অহা ৩১ জুলাই মনোনয়ন পত্ৰ গ্ৰহণৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। এই বঁটাৰ বাবে মনোনয়ন বা পৰামৰ্শ কেৱল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলত অনলাইন যোগে গ্ৰহণ কৰা হ'ব। ১৯৫৪ চনৰ পৰা আৰম্ভ হোৱা এই পদ্ম বঁটাসমূহ প্ৰতি বছৰে গণৰাজ্য দিৱস উপলক্ষে ঘোষণা কৰা হয়। বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট তথা ব্যতিক্ৰমী কৃতিত্ব আৰু সেৱাৰ বাবে এই বঁটা প্ৰদান কৰা হয়। কলা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া, চিকিৎসা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, জনসংযোগ, অসামৰিক সেৱা, বাণিজ্য তথা উদ্যোগ আদিত আগবঢ়োৱা অনবদ্য সেৱাৰ বাবে পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়।

০০০০০০০

গুৱাহাটী মহানগৰীৰ বি বৰুৱা মহাবিদ্যালয়ৰ সন্মুখত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এখন অচিনাক্ত তীব্ৰবেগী বাহনৰ খুন্দাত এগৰাকী মহিলাৰ মৃত্যু হয়। মৃত্যু হোৱা মহিলাগৰাকী সীতা দেৱী বুলি চিনাক্ত কৰা হৈছে। মহিলাগৰাকীয়ে পথ অতিক্ৰম কৰিবলৈ চেষ্টা কৰোতে বাহনখনে খুন্দা মাৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়।

০০০০০০০

বিশ্বনাথ চাৰিআলীৰ ঢেঁঙাবৰী গাঁও নিবাসী বীণা ফুকনৰ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**